# ‘প্ৰিভেনচন অফ কমিউনেল টাৰ্গেটেড ভায়’লেন্স(**Exces to justice and reparcations**)বিল’ ৰ বিৰোধিতা কিয় কৰিব লাগে ।

**অৰুণ জেটলী**

**ৰাজ্যসভাৰ বিৰোধী দ’লৰ নেতা**

২ বছৰ পূৰ্বে শ্ৰীমতী চোনীয়া গান্ধীৰ অধ্যক্ষতাত নেচনেল এডভাইজেৰী কাউন্সিলে প্ৰিভেন্চন অফ কমিউনেল টাৰ্গেটেড ভায়’লেন্স বিলৰ পাণ্ডুলিপি প্ৰস্তুত কৰিছিল । এই বিলৰ আলোচনাৰ বাবে ইন্টাৰনেটতো দিয়া হৈছিল । মই ইয়াৰ বিভিন্ন কাৰণৰ মাজত এটা মূল কাৰণ - আইন আৰু আদেশ আৰু ৰাজহুৱা আদেশ ৰাজ্যৰ বিষয়বস্তু আৰু সংসদে এনেকুৱা আইন প্ৰেৰণ কৰা,যি আইনে ৰাজ্যৰ বিষয়বস্তুৰ উলংঘন কৰে,তাৰ বাবে কঠোৰ  সমালোচনা কৰিছিলো । এই বিলখন যথেষ্ট বৈষম্যমূলক,যিহেতু জন্মৰ ভিত্তিত সংখ্যাগৰিষ্ঠ আৰু সংখ্যালঘূৰ ভেদ-ভাৰ কৰা হৈছিল । এই বিলখনৰ অন্তৰ্গত কৰ্তৃপক্ষক বহু ক্ষমতা প্ৰদান কৰা হৈছিল যাতে তেওঁলোকে ধৰ্মৰ ভিত্তিত এটা সমুদায়ক আনৰ তুলনাত উচ্চ আসন প্ৰদান কৰে । ২০১১ চনত নেচনেল ইনট্ৰিগেচন কাউন্সিলৰ বৈঠকত দলীয় নীতিৰ বাহিৰত গৈ মুখ্যমন্ত্ৰীসকলে সংবিধানৰ যুক্তৰাষ্ট্ৰীয় গাঠঁনিৰ বিৰুদ্ধে এই বিলখন হোৱাৰ বাবে ইয়াৰ বিৰোধিতা কৰিছিল ।

দেখা গৈছে যে,লোকসভা নিৰ্বাচনৰ আগমূহুৰ্ত্তত গৃহমন্ত্ৰালয়ে আকৌ এবাৰ এই বিলৰ পুন:সংস্কৰণৰ পাণ্ডুলিপি এখন চিঠিৰ সৈতে গাঠিঁ দি ৰাজ্য চৰকাৰলৈ প্ৰেৰণ কৰিছিল । এতিয়ালৈকে ইয়াৰ লগত জড়িত লোকসকলৰ সৈতে পৰ্য্যাপ্ত আলোচনা হোৱা নাই ।

যোৱাকালি অৰ্থাৎ ২ ডিচেম্বৰ ২০১৩ তাৰিখে তামিলনাডুৰ মুখ্যমন্ত্ৰী ড: জে জয় ললিতাই প্ৰধানমন্ত্ৰীলৈ এখন বিস্তৃত পত্ৰ প্ৰেৰণ কৰি এই বিলৰ কঠোৰ বিৰোধিতা প্ৰকাশ কৰিছে । সংসদৰ শীতকালীন অধিবেশনৰ পূৰ্বে এ আই ডি এম কে ৰ নেতাসকলে, সকলো দ’লৰ বৈঠকত চৰকাৰক এই বিষয়ত অৱগত কৰাইছিল । তামিলনাডুৰ মুখ্যমন্ত্ৰীয়ে পুন: এই বিলৰ বিৰোধিতা কৰিছে । উক্ত পত্ৰত উল্লেখ কৰা হৈছিল যে আইন আৰু আদেশ আৰু ৰাজহুৱা আদেশ,ৰাজ্যৰ বিষয়বস্তু আৰু এই বিলৰ বহুতো অনুচ্ছেদে সংবিধানৰ যুক্তৰাষ্ট্ৰীয় গাঠঁনিৰ উলংঘন কৰিব । তেওঁ লগতে উল্লেখ কৰিছিল যে এই বিলৰ বহুতো অনুচ্ছেদ অস্পষ্ট আৰু গম্ভীৰ অপব্যৱহাৰৰ কাৰক । তেওঁ বিশ্বাস কৰে যে পূৰ্বৰ বিলখনকে তাপলি মাৰি প্ৰস্তুত কৰা হৈছে যাক মানি ল’ব নোৱাৰি । তেওঁ পুন: ‘শত্ৰুতাভাৱাপূৰ্ণ পৰিবেশ’ শব্দটোক ভয় দেখুৱা,শত্ৰুভাৱাপূৰ্ণ আৰু অপ্ৰীতিকৰ পৰিবেশ সৃষ্টি কৰা

নামেৰে পৰিভাষিত কৰিছে । ইয়াক বেলেগ বেলেগ ধৰণেৰেও ব্যাখা কৰিব পাৰি । ইয়াৰ ওপৰিও তেওঁ উল্লেখ কৰিছে যে চৰকাৰী চাকৰিয়ালো এই বিলৰ আধাৰত লক্ষ্য হ'ব পাৰে আৰু ই হয়তো তেওঁলোকৰ কৰ্মক্ষেত্ৰৰ ধৰ্মীয় কাজিয়া ৰোধ কৰাতো প্ৰভাৱ পেলাব পাৰে । এই বিলৰ অন্তৰ্গত কৰ্তৃপক্ষসকল যথেষ্ট ক্ষমতাশালী হ'ব আৰু তেওঁলোকে নিৰ্বাচিত ৰাজ্যচৰকাৰৰ কাৰ্য্যক্ষেত্ৰত হস্তক্ষেপ কৰিব পাৰিব । শেষত তেখেতে মত প্ৰকাশ কৰিছে যে ভাৰত চৰকাৰে যিদ্বৰে ভুল পৰামৰ্শ আৰু একপক্ষীয় ধাৰণাৰ সৈতে সমান্তৰাল কৰ্তৃপক্ষৰ গঠন কৰিব'লৈ গৈ আছে, ই ৰাজ্য চৰকাৰৰ সাংবিধানিক ভূ-সম্পত্তিক অনাধিকাৰ প্ৰবেশ কৰিব ।

যদিও এতিয়ালৈকে উক্ত বিলৰ পাণ্ডুলিপি ৰাজহুৱা কৰা হোৱা নাই,তামিলনাডুৰ মুখ্যমন্ত্ৰীয়ে এই বিষয়টোক ৰাজহুৱা কৰি ভাল কাম কৰিছে । তেওঁৰ এই মন্তব্য সংবিধানৰ যুক্তৰাষ্ট্ৰীয় গাঠঁনিৰ সৈতে মিল খোৱাৰ লগতে যুক্তিসংগত ।